# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি আৰ ৰাধাকৃষ্ণনক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধী দলসমূহকে ধৰি সকলো ৰাজনৈতিক দললৈ আহ্বান জনাইছে।

২। বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ লগতে অন্যান্য কেতবোৰ বিষয়ত বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলৰ বাবে আজি লোকসভা আৰু ৰাজ্যসভাৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজিৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ৰাছিয়া ভ্ৰমণ কৰিব।

৪। বিহাৰৰ নাৱাদা জিলাৰ হিছুৱাত আজি ভোটাৰ অধিকাৰ যাত্ৰাৰ কালত কংগ্ৰেছ নেতা ৰাহুল গান্ধী বিজেপি কৰ্মীসকলৰ প্ৰতিবাদৰ সন্মুখীন হয়।***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চি, লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি আৰ ৰাধাকৃষ্ণনক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধী দলসমূহকে ধৰি সকলো ৰাজনৈতিক দললৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি পুৱা অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত শ্ৰী মোদীয়ে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি আৰ ৰাধাকৃষ্ণনক এন ডি এৰ সাংসদসকলৰ সৈতে চিনাকি কৰি দিয়ে। তেওঁ কয়, যে শ্ৰী ৰাধাকৃষ্ণনে সংসৰ সদস্য আৰু ৰাজ্যপাল হিচাপে ৰাজহুৱা জীৱনত সফলভাৱে ৰাইজৰ সেৱা কৰি আহিছে।

বৈঠকৰ পাছত সংবাদ মাধ্যমক সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে উপ-ৰাষ্ট্ৰপতি হিচাপে শ্ৰী ৰাধাকৃষ্ণন যাতে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়, তাৰ বাবে প্ৰধানমন্ত্ৰীয়ে সকলো ৰাজনৈতিক দল আৰু সাংসদক আহ্বান জনাইছে। তেওঁ কয়, যে শ্ৰী ৰাধাকৃষ্ণনে সকলো বিতৰ্কৰ পৰা আঁতৰত থাকি এটা সাধাৰণ জীৱন কটাইছে। তেওঁ উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'লে সমগ্ৰ দেশবাসী আনন্দিত হ'ব বুলি মন্ত্ৰী ৰিজিজুৱে প্ৰকাশ কৰে।

oooooooo

বিৰোধী দলসমূহৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ পৰিপ্ৰেক্ষিতত লোকসভা আজি দুপৰীয়া ১২ বজা পৰ্যন্ত স্থগিত ৰাখিবলগীয়া হয়। কামকাজ আৰম্ভ হোৱাৰ লগে লগে অধ্যক্ষ ওম বিৰলাই সদনক কয়, যে কাশ্মীৰী, কোংকানী আৰু চাওতালী ভাষাত এতিয়াৰে পৰা সদনত যিকোনো বিষয়ৰ ব্যাখ্যা কৰিব পৰা যাব। তেওঁ কয়, যে এতিয়ালৈকে হিন্দী আৰু ইংৰাজীৰ বাহিৰেও অসমীয়া, বাংলা, বড়ো, দোগ্ৰী, গুজৰাটী, কানাড়া, মৈথিলী, মালায়ালম, মণিপুৰী, মাৰাঠী, নেপালী, উৰিয়া, পাঞ্জাবী, সংস্কৃত, সিন্ধি, তামিল, তেলুগু আৰু উৰ্দূ-

এই ১৮ টা ভাষাত সদনত ব্যাখ্যা আগবঢ়াব পৰা গৈছিল। শ্ৰী বিৰলাই জনায় যে, কাশ্মীৰী, কোংকানী আৰু চাওতালী ভাষাৰ অন্তৰ্ভুক্তিৰ পাছত এতিয়াৰে পৰা সদনত সংবিধানৰ অষ্টম অনুসূচীত উল্লেখ থকা ২২ টা ভাষাৰ আটাইকেইটাতে ব্যাখ্যা আগবঢ়াব পৰা যাব।

ইয়াৰ পাছতে অধ্যক্ষই প্ৰশ্নোত্তৰ কাল চলাই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ আলোচনা বিচাৰি প্ৰতিবাদ কৰিবলৈ ধৰে। শ্ৰী বিৰলাই বিৰোধী সদস্যসকলক সদনৰ কামকাজ চলাৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ আহ্বান জনায় কয়, যে ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ আৰু বিৰোধী সদস্যসকলে সদনৰ কামকাজ নিয়াৰিকৈ চলাত সহযোগ কৰা উচিত। কিন্তু অধ্যক্ষৰ আহ্বানৰ পাছতো বিৰোধী সদস্যসকলে প্ৰতিবাদ আৰু হুলস্থূল অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কামকাজ দুপৰীয়া ১২ বজা পৰ্যন্ত স্থগিত ৰাখে।

oooooooo

বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ লগতে অন্যান্য কেতবোৰ বিষয়ত বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলৰ বাবে ৰাজ্যসভাৰ কামকাজ আজি দিনৰ দুই বজা পৰ্যন্ত স্থগিত ৰাখিবলগীয়া হয়। সদনৰ কামকাজ ১১ বজাত আৰম্ভ হোৱাৰ লগে লগে উপসভাপতি হৰিবংশই কয়, যে তেওঁ বিভিন্ন ৰাজনৈতিক দলৰ পৰা বিভিন্ন বিষয়ত ২০ টা সভা স্থগিত প্ৰস্তাৱ পাইছে, কিন্তু এই সকলো প্ৰস্তাৱ নাকচ কৰা হৈছে। ইয়াৰ পাছতে বিৰোধী সদস্যসকলে শ্লোগান দিবলৈ আৰম্ভ কৰে। উপসভাপতিয়ে শূন্যকাল চলাই নিবলৈ চেষ্টা কৰে আৰু সদনৰ কামকাজ চলাই নিয়াত সহায় কৰিবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। কিন্তু বিৰোধী সদস্যসকলে ইয়ালৈ কৰ্ণপাত নকৰি প্ৰতিবাদ অব্যাহত ৰাখে আৰু পৰিস্থিতিৰ পৰিৱৰ্তন নোহোৱাত উপসভাপতিয়ে সদনৰ কামকাজ দিনৰ দুই বজালৈকে স্থগিত ৰাখে।

oooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজিৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ৰাছিয়া ভ্ৰমণ কৰিব। মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে, শ্ৰী জয়শংকৰে মস্কোত কাইলৈ হ'বলগীয়া বাণিজ্য, অৰ্থনীতি, বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক সহযোগতাৰ ভাৰত-ৰাছিয়া আন্তঃ চৰকাৰী আয়োগৰ ২৬ সংখ্যক অধিৱেশনত সহ অধ্যক্ষতা কৰিব। এই ভ্ৰমণকালত ড০ জয় শংকৰে ৰাছিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছাৰ্জেই লাভৰভৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে ভাৰত-ৰাছিয়া বাণিজ্যিক মঞ্চৰ অধিৱেশনতো ভাষণ দিব। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰা অনুসৰি দুয়োগৰাকী নেতাই দ্বিপাক্ষিক কামকাজসমূহ পৰ্যালোচনা কৰাৰ লগতে আঞ্চলিক তথা আন্তঃৰ্জাতিক সমস্যা সন্দৰ্ভত মত বিনিময় কৰিব। এই ভ্ৰমণৰ জৰিয়তে ভাৰত-ৰাছিয়াৰ দীৰ্ঘদিনীয়া কৌশলগত সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে।

oooooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, চলিত বছৰৰ ৩ অক্টোবৰত বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ কৰা হ'ব। তেওঁ কয়, যে এই আবেদনৰ জৰিয়তে কৃষক আৰু কৃষি বিজ্ঞানীসকলৰ মাজত প্ৰত্যক্ষ যোগাযোগৰ ব্যৱস্থা কৰা হ'ব। এই অভিযান ১৮ অক্টোবৰলকে চলিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত শ্ৰী চৌহানে কয়, যে এই অভিযান কালত কেইবাহেজাৰ কৃষি বিজ্ঞানী আৰু কৃষি বিভাগৰ বিষয়াই গাঁওসমূহ প্ৰথম কৰি খাদ্য উৎপাদনত নতুন প্ৰযুক্তি ব্যৱহাৰ সন্দৰ্ভত কৃষকসকলৰ সৈতে মত

বিনিময় কৰিব। তেওঁ কয়, যে চৰকাৰে সম্প্ৰতি বৈজ্ঞানিৰ কৃষি পদ্ধতিত মনোনিৱেশ কৰিছে আৰু বহনক্ষম কৃষি বিকাশত গুৰুত্ব দিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে চলিত বছৰৰ মে'ত অনুষ্ঠিত এই অভিযানত এক কোটি ৩৩ লাখৰো অধিক কৃষকৰ সৈতে মত বিনিময় কৰাটো সম্ভৱ হৈছিল।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিপুৰাৰ মহাৰাজা বীৰ বিক্ৰম কিশোৰ মাণিক্য বাহাদুৰক তেওঁৰ জয়ন্তীত আজি স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে মহাৰাজা বীৰ বিক্ৰম কিশোৰ মাণিক্য বাহাদুৰক ত্ৰিপুৰাৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা অনন্য অৱদানৰ বাবে সকলোৰে স্মৰণ কৰে। শ্ৰী মোদীয়ে উল্লেখ কৰে যে, মহাৰাজাজনৰ জনসেৱা, দৰিদ্ৰৰ সবলীকৰণৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতি বদ্ধতা আৰু সমাজৰ উন্নয়নৰ ক্ষেত্ৰত থকা নিষ্ঠাই সকলোকে অনুপ্ৰেৰণা যোগাই থাকিব। প্ৰধানমন্ত্ৰীয়ে কয়, যে মহাৰাজাজনৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ত্ৰিপুৰা চৰকাৰে অহৰহ কাম কৰি আছে।

আধুনিক ত্ৰিপুৰাৰ নিৰ্মাতা হিচাপ জনপ্ৰিয় মহাৰাজা বীৰ বিক্ৰম কিশোৰ মাণিক্য বাহাদুৰে ১৯২৩ চনৰ পৰা ১৯৪৭ চনলৈকে ৰাজত্ব কৰিছিল।

oooooooo

বিহাৰৰ নাৱাৰা জিলাৰ হিছুৱাত আজি ভোটাৰ অধিকাৰ যাত্ৰাৰ কালত কংগ্ৰেছ নেতা ৰাহুল গান্ধী বিজেপি কৰ্মীসকলৰ প্ৰতিবাদৰ সন্মুখীন হয়। ৰাজ্যখনত এই যাত্ৰাৰ আজি তৃতীয় দিন। আজি এই যাত্ৰা চেচাৰামৰ পৰা আৰম্ভ হয়। হিছুৱাত বিজেপি কৰ্মীসকলে বিক্ষোভ প্ৰদৰ্শন কৰাৰ উপৰি কংগ্ৰেছ নেতাজনৰ বিৰুদ্ধে শ্লোগান দিয়ে। শ্ৰী গান্ধীয়ে নৱাৰাৰ ভগত সিং চকত এখন জনসভাতো ভাষণ দিব। কালি সন্ধিয়া তেওঁ গয়াৰ এখন জনসমাৱেশত ভাষণ দি বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ বিৰোধিতা কৰে আৰু ইয়াৰ বাবে নিৰ্বাচন আয়োগক সমালোচনা কৰে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ শংকৰদয়াল শৰ্মাৰ জন্ম দিৱস উপলক্ষে তেওঁৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পন কৰে। ড০ শংকৰদয়াল শৰ্মা ভাৰতৰ নৱম ৰাষ্ট্ৰপতি আছিল।

oooooooo

সেনাবাহিনীয়ে আয়োজন কৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চি লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত খেলখন অনুষ্ঠিত হ'ব। এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত এয়া তৃতীয়বাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ছেমি ফাইনেলতো দুয়োটা দল পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল আৰু নৰ্থ ইষ্ট ইউনাইটেডে মেঘালয়ৰ দলটোক ৩-০ত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছিল।

oooooooo

ভাৰতৰ গিৰিশ গুপ্তাই কাজাখস্তানত চলি থকা ষষ্ঠদশ এছিয়ান শ্বুটিং চেম্পিয়নশ্বিপৰ পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ যুৱ শিতানত সোণৰ পদক অৰ্জন কৰিছে। ফাইনেলত ১৭ বছৰীয়া খেলুৱৈগৰাকীয়ে ২৪১ দশমিক ৩ পইণ্ট অৰ্জন কৰে। সোণৰ পদক দখলৰ বাটত খেলুৱৈগৰাকীয়ে ১৪ বছৰীয়া সতীৰ্থ খেলুৱৈ দেৱ প্ৰতাপৰ ২৩৮

দশমিক ৬ পইণ্ট অতিক্ৰম কৰে। একে শিতানত দেৱ প্ৰতাপে ৰূপৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাৰ প্ৰথম দিনটোত কালি ভাৰতে দুটা সোণৰ আৰু তিনিটা ৰূপৰ পদক দখল কৰে। ভাৰতৰ কপিল বাইনস্লাই পুৰুষৰ এয়াৰ পিষ্টলৰ কনিষ্ঠ শিতানত সোণৰ অৰ্জন কৰে। একেটা শিতানত পুৰুষৰ জ্যেষ্ঠ আৰু কনিষ্ঠ উভয়ে দলে ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে হাৰিয়ানাৰ কপিলে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ যুৱ শিতানৰ ফাইনেলত ২৪৩ পইণ্ট লাভ কৰি প্ৰতিযোগিতাত দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছিল। একেটা শিতানত ভাৰতৰ জনাথন গেভিন এণ্ট'নিয়ে ২২০ দশমিক ৭ পইণ্টেৰে ব্ৰঞ্জৰ পদক দখল কৰে। পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ দলীয় যুৱ শিতানত কপিল আৰু জনাথনে বিজয় তোমৰৰ সৈতে লগত হৈ এহেজাৰ ৭২৩ পইণ্টেৰে ৰূপৰ পদক লাভ কৰে। এই শিতানত কোৰিয়া প্ৰথম আৰু আয়োজক কাজাখস্তান তৃতীয় শ্ৰেষ্ঠ দলৰূপে পৰিগণিত হয়। ইপিনে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ জ্যেষ্ঠ শাখাত ভাৰতৰ অনমোল জৈন, আদিত্য মালৰা আৰু সৌৰভ চৌধাৰীৰ দলটোৱে এহেজাৰ ৭৩৫ পইণ্টেৰে ৰূপৰ পদক অৰ্জন কৰে।

প্ৰতিযোগিতাত আজি দ্বিতীয় দিনা মহিলাৰ এয়াৰ পিষ্টলৰ বিভিন্ন শিতানৰ চূড়ান্ত পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব।

oooooooo

***সমাপ্ত***